**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাস গৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে। খনিকৰ পেৰেড গ্ৰাউণ্ডত আজি দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প  মুকলি কৰিব। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব।

শ্ৰী শ্বাহে আজি সন্ধিয়াৰ ভাগত গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে যোৱা নিশা দুদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়ৰ ড০ ভূপেন হাজৰিকা বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাকে ধৰি কেইবাগৰাকীও দলীয় নেতা কৰ্মীয়ে শ্ৰী শ্বাহক বিমান বন্দৰত আদৰণি জনায়।

oooooo

ধেমাজি জিলাৰ বগীবিলৰ কাৰেং চাপৰিত ৫ দিনীয়াকৈ অনুষ্ঠিত দশম মিচিং যুৱ মহোৎসৱৰ আজি সামৰণি পৰিব। সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মিচিং সমাজৰ ঐক্য, সংস্কৃতি আৰু আত্মচেতনাৰ উমৈহতীয়া মঞ্চ মিচিং যুৱ মহোৎসৱত জনগোষ্ঠীটোৰ পৰম্পৰা, কলাকৃষ্টি, সংস্কৃতি, আৰু থলুৱা খাদ্য সম্ভাৰৰ প্ৰদৰ্শন কৰা হয়। অসমৰ দ্বিতীয় বৃহৎ জনগোষ্ঠী হিচাপে পৰিচিত মিচিং জনগোষ্ঠীৰ এই যুৱ মহোৎসৱত অৰুণাচল প্ৰদেশৰ আদি, গালো, আপাতানি, নিচি আৰু টাগিন সম্প্ৰদায়ৰ লোকসকলেও

অংশগ্ৰহণ কৰি সম্প্ৰীতি তথা ভাতৃত্ববোধৰ নিদৰ্শন দাঙি ধৰে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী ডাঃ ৰণোজ পেগু, মিচিং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত অসম পেট্ৰ' কেমিকেল্‌চ লিমিটেডে গুজৰাটৰ কান্দলাৰ দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ মাজত এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে কান্দলা বন্দৰত প্ৰতিদিনে ১৫০ টন ই-মিথানল উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অসম পেট্ৰ' কেমিকেল্‌চ লিমিটেডৰ হৈ অধ্যক্ষ বিকুল ডেকা আৰু দীনদয়াল বন্দৰ প্ৰাধিকৰণৰ হৈ অধ্যক্ষ সুশীল সিঙে এই চুক্তিখনত স্বাক্ষৰ কৰে। এই ই-মিথানল প্ৰকল্পটোত এহেজাৰ ২০০ কোটি টকাৰ মূলধন বিনিয়োগ কৰা হ'ব। প্ৰকল্পটোত ৩ হাজাৰ ৫০০ ৰো অধিক নতুন সংস্থাপনৰ সুযোগ মুকলি হ'ব বুলি আশা কৰা হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰীৰ ডিব্ৰুগড় সচিবালয়ত আয়োজিত এখন সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ই-মিথানল উৎপাদনৰ এই চুক্তিখন অসম পেট্ৰ' কেমিকেলচ লিমিটেডৰ দীঘলীয়া যাত্ৰাত মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ ৰ'ব। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই চুক্তিখনৰ বাবে অসম পেট্ৰ' কেমিকেলচ্‌ লিমিটেড আৰু দীনদয়াল বন্দৰ প্ৰাধিকৰণক অভিনন্দন জ্ঞাপন কৰে। এই প্ৰকল্পই কান্দলা বন্দৰক বিশ্বৰ বহন ক্ষমতাৰ মানৰ সৈতে সংগতিপূৰ্ণ সেউজ বন্দৰ হিচাপে শক্তিশালী কৰিব বুলিও তেওঁ কয়।

বাইট

০০০০০০

**সমাপ্ত**